**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৫০/২০২০**

**কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজত একত্ৰিতভাৱে থিয় দিয়াৰ আহ্বান মুখ্যমন্ত্ৰীৰ**
**বৰ্তমান পৰিস্থিতিক সংকীৰ্ণ অৰ্থত মূল্যাংকন নকৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান**

**দিছপুৰ, ০১ এপ্ৰিল ঃ** মহামাৰী ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজত জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে প্ৰতিগৰাকী অসমবাসীকে একত্ৰিতভাৱে থিয় দিয়াৰ আহ্বান জনাইছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে যোৱা ৪৮ ঘন্টাত ৰাজ্যখনত কেইবাগৰাকীও লোক ক'ভিড-১৯ ত আক্ৰান্ত হোৱাৰ তথ্য লাভ কৰা হৈছে যদিও ইয়াক লৈ অসমবাসী আতংকিত হোৱাৰ প্ৰয়োজন নাই। বিশ্বত এই ৰোগত আক্ৰান্ত বহু সংখ্যক ৰোগী ইতিমধ্যে সুস্থ হৈ উঠিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমত চিনাক্ত হোৱা ৰোগী কেইগৰাকীও অতি সোনকালে সুস্থ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। সংকটৰ এই মূহুৰ্তত আমি সংকীৰ্ণ মানসিকতা পৰিহাৰ কৰিব লাগিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমান পৰিস্থিতিক সংকীৰ্ণ অৰ্থত মূল্যাংকন নকৰিবলৈ সকলোলৈকে আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা ২১ দিনীয়া লক্-ডাউনৰ প্ৰতি জনোৱা সঁহাৰি আৰু এই সময়ত প্ৰদৰ্শন কৰা মনোবলৰ বাবে ৰাজ্যবাসীক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে লক্-ডাউনৰ বাকী থকা দিন কেইটাতো সম্পূৰ্ণৰূপে সতৰ্কতা, সাৱধানতা আৰু সামাজিক দূৰত্ব অটুট ৰাখি পালন কৰিবলৈ ৰাইজক আহ্বান জনায়। সংকটৰ এই সময়ত ৰাইজৰ স্বাৰ্থত দিন-ৰাতি একাকাৰ কৰি সেৱা আগবঢ়োৱা চিকিৎসক, নাৰ্ছ, লেবৰেটৰি টেকনিচিয়ান, ৱাৰ্ড বয়, আশা কৰ্মী, ছাফাই কৰ্মী, এম্বুলেঞ্চৰ চালক-কৰ্মচাৰীৰ লগতে আৰক্ষী বাহিনী, খাদ্য আৰু অসামৰিক যোগান বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, শক্তি বিভাগ আৰু অন্যান্য অত্যাৱশ্যকীয় তথা জৰুৰীকালীন কৰ্তব্যত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ ত্যাগৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়। মুখ্যমন্ত্ৰীয়ে এই দিশত সংবাদ মাধ্যমে লোৱা ভূমিকাৰ বাবেও তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰে।

ৰাজ্যখনত ক'ভিড-১৯ সৃষ্ট পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে অসমৰ ৩৩ খন জিলাতে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক স্বচ্ছতা আৰু পৰিস্কাৰ-পৰিচ্ছন্নতা অটুট ৰাখি এই মহামাৰীক প্ৰতিহত কৰাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

**প্ৰঃকুঃবঃ**
**০১/০৪/২০২০**